# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 23-03-2025
**Time:** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

**- - - - - - - - - - - - - - -**

১। জোঙালবলহু গড়ত নিৰ্মীয়মান পৰ্যটনক্ষেত্ৰ এই বছৰৰ ভিতৰতে মুকলি কৰি দিয়া হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

২। অসম চিকিৎসা মহাবিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ৩০০ কোটি টকা ব্যয় সাপেক্ষ নতুন আৱাসিক কলনি নিৰ্মাণৰ অভিলাষী প্ৰকল্প।

৩। ৰাভা-হাছং পৰিষদীয় নিৰ্বাচনৰ প্ৰচাৰ অভিযান তুংগত। আজি বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া আৰু কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ দলীয় প্ৰচাৰ।

৪। বাক্সা জিলাৰ সমবায় ব্যৱস্থা শক্তিশালী আৰু শৃংখলিত কৰাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালৰ গুৰুত্ব আৰোপ। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন খেলত ৰাজস্থান ৰয়েলছক জয়ৰ বাবে ২৮৭ ৰানৰ লক্ষ্য নিৰ্ধাৰণ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ।

০০০০০

তিৱা সাহিত্য সভাক তিৱা জনগোষ্ঠীৰ এখন বুৰঞ্জী প্ৰণয়ন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আহ্বান জনাইছে। এই বুৰঞ্জী প্ৰণয়নৰ বাবে ব্যয় চৰকাৰে বহন কৰিব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰতিশ্ৰুতি দিছে। জাগীৰোড সমষ্টিৰ ঔজাৰীত আজি অনুষ্ঠিত ত্ৰয়োদশ ত্ৰিবাৰ্ষিক তিৱা মাথনলাই টখ্ৰা অৰ্থাৎ তিৱা সাহিত্য সভাৰ কেন্দ্ৰীয় অধিবেশনত অংশগ্ৰহণ কৰি দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে এই কথা ঘোষণা কৰে। ............. **বাইট**

তিৱা ৰজা জোঙালবলহুৰ বীৰত্বৰ গাঁথা আৰু জনগোষ্ঠীটোৰ চহকী ঐতিহ্য তথা লোককৃষ্টিৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে তিৱা জনগোষ্ঠীয় নৃত্যক বৃহৎ পৰিসৰত গুৱাহাটীত পৰিৱেশন কৰোৱাৰ ব্যৱস্থা কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। জোঙালবলহু গড়ত নিৰ্মীয়মান পৰ্যটনক্ষেত্ৰ এই বছৰৰ ভিতৰতে মুকলি কৰি দিয়া হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰে প্ৰকৃতিৰ সৈতে নিবিড় সম্পৰ্ক ৰক্ষা কৰি চলি থকা জনগোষ্ঠীটোৱে প্ৰকৃতিকেই আৰাধনা কৰি জীৱনশৈলী পৰিচালিত কৰি আহিছে বুলি তেওঁ উল্লেখ কৰে। ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ অধীনত তিৱা ভাষাক পঞ্চম মান শ্ৰেণী পৰ্যন্ত বিদ্যালয়ত শিকোৱাৰ ব্যৱস্থা কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে আশ্বাস দিয়ে। তদুপৰি জনগোষ্ঠীটোৰ লোকসকলৰ সৰ্বাত্মক উন্নয়ন আৰু তেওঁলোকৰ চহকী ঐতিহ্য সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে পদক্ষেপ লোৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই চাৰিদিনীয়া ডিব্ৰুগড় ভ্ৰমণৰ অন্তিম দিনা আজি ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰীৰ সচিবালয়ৰ সভাগৃহত লোকনিৰ্মাণ, গৃহবিভাগ আৰু চিকিৎসা মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ সৈতে এখন বৈঠকত মিলিত হয়। এই বৈঠকত ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে গ্ৰহণ কৰা ৩০০ কোটি টকা ব্যয় সাপেক্ষ নতুন আৱাসিক কলনি নিৰ্মাণৰ অভিলাষী প্ৰকল্প সন্দৰ্ভত আলোচনা কৰা হয়। চিকিৎসা মহাবিদ্যালয় হাস্পতালখনৰ পুৰণি আৱাসসমূহৰ পৰিৱৰ্তে অধ্যক্ষ-উপাধ্যক্ষ, জ্যেষ্ঠ, কনিষ্ঠ চিকিৎসকৰ আৱাসৰ লগতে ছাত্ৰাৱাস, ছাত্ৰী নিবাস, তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ বাবে নতুন আৱাসিক কলনি, সন্মিলন কেন্দ্ৰ আদি বিভিন্ন সা-সুবিধা অন্তৰ্ভুক্তিৰে প্ৰস্তুত কৰা প্ৰকল্পটোৰ নক্সাৰ মুখ্যমন্ত্ৰীগৰাকীয়ে বুজ লয়। বৈঠকখনত বিভাগসমূহৰ উচ্চ পদস্থ বিষয়াসকলৰ লগতে অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ, মুখ্য অধীক্ষকো উপস্থিত থাকে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই চাৰিদিনীয়া ডিব্ৰুগড় ভ্ৰমণ সন্দৰ্ভত সামাজিক মাধ্যমত প্ৰকাশ কৰি কয়, যে ঐতিহাসিক চহৰ ডিব্ৰুগড়ক অসমৰ দ্বিতীয় ৰাজধানী হিচাপে প্ৰতিষ্ঠা কৰিবলৈ প্ৰচেষ্টা কৰা হৈছে আৰু এই উদ্দেশ্যে চহৰখনত কেইবাটাও ব্যৱস্থা আৰম্ভ কৰা হৈছে। মুখ্যমন্ত্ৰীৰ সচিবালয় কাৰ্যকৰী কৰাৰ লগতে ডিব্ৰুগড়ৰ গৌৰৱময় অতীতক পুনৰ উদ্ধাৰ কৰি চহৰখনক পূব ভাৰতৰ এখন প্ৰধান অৰ্থনৈতিক আৰু সংস্কৃতিক কেন্দ্ৰ হিচাপে নিৰ্মাণৰ পৰিকল্পনাৰে কাম কৰি থকা হৈছে। মুখ্যমন্ত্ৰীয়ে লগতে উল্লেখ কৰে ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰীৰ সচিবালয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। নিয়মীয়া পৰ্যালোচনা বৈঠকৰ ফলত কেবিনেটৰ সিদ্ধান্ত, আঁচনি আৰু আন্তঃগাঁথনিমূলক প্ৰকল্পসমূহ ত্বৰান্বিত হৈছে। সচিবালয়ে অঞ্চলটোৰ সামাজিক সংগঠনসমূহক চৰকাৰৰ ওচৰলৈ লৈ যোৱাৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড় ভ্ৰমণতে ডিব্ৰুগড়, ধেমাজি, ঢকুৱাখনা আৰু ডিমৌ বিধানসভা সমষ্টিত ৩ হাজাৰ ৫০০ কোটি টকা ব্যয় সাপেক্ষ ৫০০ৰো অধিক প্ৰকল্প পৰ্যালোচনা বৈঠকতো ভাগ লোৱাৰ কথা প্ৰকাশ কৰে। এই বৈঠকত অঞ্চলটোৰ পথ, উৰণ সেতু, ঘাইপথ, চৰকাৰী ভৱন, মথাউৰি, বিদ্যুৎ কেন্দ্ৰ, চিকিৎসালয়, ক্ৰীড়া আৰু সাংস্কৃতিক প্ৰকল্পসমূহৰ কাম ক্ষিপ্ৰতাৰে কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশনা দিয়াৰ কথাও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০

অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে ব্যাপক প্ৰচাৰ অভিযান চলিছে। বিজেপি, ৰাভা হাছং যৌথ সমিতি আৰু অগপই ঐক্যবদ্ধভাৱে প্ৰচাৰ অভিযান চলাই আছে। আজি ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই ৰাভা হাছং পৰিষদীয় এলেকাত উপস্থিত হৈ আগিয়া সমষ্টিৰ বিজেপি প্ৰাৰ্থী সুচিত্ৰা নাথৰ লগতে আন দলীয় প্ৰাৰ্থীসকলৰ হৈ প্ৰচাৰ চলায়। ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাৰ নেতৃত্বত ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিয়ে বিজেপিৰ সহযোগত নিৰ্বাচনী প্ৰচাৰ চলাইছে। পৰিষদৰ অন্তৰ্গত কামৰূপ জিলাৰ ১৪টা সমষ্টিৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈছে। আজি সমষ্টিটোত কংগ্ৰেছ দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰা আৰু ছয়গাঁও সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদে ছয়গাঁৱৰ ৰাজীৱ ভৱনত উপস্থিত হৈ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। জিলাখনত নিৰ্বাচনী প্ৰচাৰ সন্দৰ্ভত আমাৰ কামৰূপৰ সংবাদদাতা কৌশিক দাসে এইদৰে কয়- **বাইট**

ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদত গোৱালপাৰা জিলাত ২০টা আৰু কামৰূপ গ্ৰাম্য জিলাত ১৬টা পৰিষদীয় সমষ্টি আছে। ইয়াৰে গোৱালপাৰা জিলাত এটা আৰু কামৰূপ জিলাৰ দুটা সমষ্টিত এন ডি এৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱাৰ পৰিপ্ৰেক্ষিতত মুঠ ৩৩টা সমষ্টিৰ বাবে ৯৬গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ

হ'ব। অহা ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০০০

বাক্সা জিলাৰ সমবায় ব্যৱস্থা শক্তিশালী আৰু শৃংখলিত কৰাৰ ওপৰত কেন্দ্ৰীয় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে গুৰুত্ব আৰোপ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনি ৰূপায়ণ আৰু অগ্ৰগতি পৰ্যালোচনাৰ বাবে কালি জিলাখনত উপস্থিত হোৱা কেন্দ্ৰীয় আইন, ন্যায় আৰু সংসদীয় পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী মেঘৱালে জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন পৰ্যালোচনা সভাত অংশ লৈ এই কথা প্ৰকাশ কৰে। তেওঁ গ্ৰাম্য জীৱিকা শক্তিশালী কৰাৰ বাবে লক্ষ্য নিৰ্দ্ধাৰণ আৰু কাৰ্যপন্থাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ উপৰি জিলাখনৰ কৃষি আৰু অৰ্থনৈতিক উন্নয়নৰ ওপৰত আলোকপাত কৰে। তেওঁ কৃষিৰ উৎপাদনশীলতা বৃদ্ধিৰ বাবে কৃষিজাত সামগ্ৰীৰ সংৰক্ষণ আৰু মূল্য সংযোজনৰ বাবে শীতল ভঁৰাল স্থাপনৰ বিষয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অন্ত্যোদয়া অভিযানৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে আন্তঃজিলা সমন্বয় শক্তিশালী কৰাৰ উপৰি গ্ৰাম্য ঔদ্যোগিকীকৰণৰ সমৰ্থন বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শ্ৰীমেঘৱালে জিলাখনত মৌ উৎপাদনৰ সম্ভাৱনাৰ ওপৰতো আলোকপাত কৰে। তেওঁ স্থানীয় কৰ্তৃপক্ষক সামৰ্থ্য বিকাশ কাৰ্যসূচীৰ সুবিধা প্ৰদান কৰিবলৈ আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে হস্ততাঁত আৰু বস্ত্ৰশিল্পকে ধৰি কেইবাটাও বিভাগৰ কাম-কাজ পৰ্যালোচনা কৰি স্থানীয় নিয়োগ আৰু অৰ্থনৈতিক সবলীকৰণৰ ক্ষেত্ৰত বিভাগসমূহৰ ভূমিকাত গুৰুত্ব আৰোপ কৰে।

০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল ছিংগাপুৰ চৰকাৰৰ আমন্ত্ৰণমৰ্মে তিনিদিনীয়া ভ্ৰমণসূচীৰে ছিংগাপুৰত উপস্থিত হৈছে। দেশখনৰ উচ্চ আয়োগে আজি মন্ত্ৰীগৰাকীক আদৰণি জনায়। শ্ৰীসোণোৱালে আই এন এ স্মাৰকত নেতাজী সুভাষ চন্দ্ৰ বসু আৰু অজ্ঞাত সৈনিকসকলৰ প্ৰতি সশ্ৰদ্ধ প্ৰণিপাত জ্ঞাপন কৰে। এই সন্দৰ্ভত দিয়া এটা বাৰ্তাত তেওঁ কয় যে স্বাধীনতাৰ হকে এইসকল বীৰ সেনানীৰ অতুলনীয় ত্যাগ, সাহস, নিৰ্ভিক সংকল্প আৰু স্বদেশপ্ৰেমে দেশৰ প্ৰতিটো প্ৰজন্মকে অনুপ্ৰাণিত কৰি আহিছে। উল্লেখযোগ্য যে মন্ত্ৰীগৰাকীয়ে এই ভ্ৰমণ কালত  সামুদ্ৰিক ক্ষেত্ৰত পাৰস্পৰিক সহযোগিতা বৃদ্ধি, বন্দৰ উন্নয়ন, জাহাজ মেৰামতি খণ্ডৰ ৰূপান্তৰ তথা জলপথ আৰু সামুদ্ৰিক খণ্ডৰ সৈতে জড়িত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোচনাত মিলিত হ'ব। এই আলোচনাই ভাৰত আৰু ছিংগাপুৰৰ মাজৰ সামুদ্ৰিক তথা বাণিজ্যিক সম্পৰ্কক নতুন গতি দিব বুলি আশা কৰা হৈছে। এই ভ্ৰমণৰ সময়ছোৱাত মন্ত্ৰীগৰাকীয়ে ছিংগাপুৰৰ প্ৰবাসী অসমীয়া সমাজৰ সৈতেও মত বিনিময় অনুষ্ঠানত মিলিত হ'ব। তদুপৰি সামুদ্ৰিক খণ্ডত নতুন সুযোগ-সম্ভাৱনা মুকলি কৰাৰ বাবে মন্ত্ৰীগৰাকীয়ে দেশখনৰ সামুদ্ৰিক খণ্ডৰ ভালেসংখ্যক শীৰ্ষ নেতাক সাক্ষাৎ কৰিব। তেওঁ ছিংগাপুৰৰ কেইবাগৰাকীও জ্যেষ্ঠ মন্ত্ৰীৰ সৈতে মিলিত হ'ব।

০০০০০

স্বচ্ছতা অভিযানক কাৰ্যকৰীকৰণৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰা বজালীৰ বেলনা গাঁৱক আজি ২০২৪ বৰ্ষৰ সংস্কাৰ ধ্বনি স্বচ্ছতা বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত সংস্কাৰ ধ্বনি ফাউণ্ডেচনৰ উদ্যোগত আয়োজিত সংস্কাৰ ধ্বনি ৰূপান্তৰ সমাৰোহত এই বঁটা প্ৰদান কৰা হয়। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন তথা পৰ্যটন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি বেলনা গাঁৱৰ আদৰ্শক সকলোকে অনুসৰণ কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে

যোৱা ২০ মাৰ্চত গাঁওখনলৈ এই বঁটা আগবঢ়োৱাৰ বিষয়ে ঘোষণা কৰা হৈছিল। কৃষিজীৱি গাঁওবাসীয়ে কঠোৰ পৰিশ্ৰম আৰু নিয়মানুৱৰ্তীতাৰ জৰিয়তে অতি কম দিনৰ ভিতৰত প্লাষ্টিক বৰ্জনৰ দৰে পদক্ষেপ গ্ৰহণ কৰি পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ক্ষেত্ৰত ৰাজ্যজুৰি আদৰ্শ দাঙি ধৰিছে। ২০১৯ চনত ৰাজ্যৰ তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আনুষ্ঠানিকভাৱে গাঁওখনক অসমৰ প্ৰথমখন প্লাষ্টিকমুক্ত গাঁও হিচাপে ঘোষণা কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও **মন কী বাত** অনুষ্ঠানত বেলনা গাঁওবাসীয়ে পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ কাৰণে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে উল্লেখ কৰিছিল।

ooooo

ডিব্ৰুগড় জিলাৰ মাইজানৰ নগাঘূলীত কালি জিঅ' বেগৰ পলস খনন কৰি থকা অৱস্থাত মৃত্যু হোৱা ৰাজীৱ বৰুৱা নামৰ শ্ৰমিকজনৰ বাসগৃহলৈ গৈ আজি জল সম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই শ্ৰমিকজনৰ পৰিয়ালৰ সদস্যক সমবেদনা জ্ঞাপন কৰে। মৃত শ্ৰমকিজনৰ পৰিয়ালটোক যথাসম্ভৱ সহায়-সহযোগিতা আগবঢ়োৱা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে ব্ৰহ্মপুত্ৰৰ পলস খান্দি গৰাখহনীয়া প্ৰতিৰোধৰ কামত নিয়োজিত শ্ৰমিকজনৰ ওপৰত মাটি খহি পৰাত তেওঁৰ থিতাতে মৃত্যু হৈছিল। ৰহমৰীয়া গৰপৰা গাঁৱৰ এই শ্ৰমিকজনৰ লগত কৰ্মৰত হৃদয়ানন্দ কোঁৱৰ নামৰ আন এজন শ্ৰমিক গুৰুতৰভাৱে আহত হৈ অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছে।

ooooo

বজালীৰ ভোগেশ্বৰ মন্দিৰৰ বাকৰিত যোৱা ২১ মাৰ্চৰ পৰা অনুষ্ঠিত উত্তৰ-পূব ভাৰত হৰিদেৱ সংঘৰ ৪৮ সংখ্যক দ্বিবাৰ্ষিক অধিবেশনৰ সামৰণি পৰিছে। মহাপুৰুষ হৰিদেৱৰ আদৰ্শৰাজি প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে সংগঠিত উত্তৰ-পূব ভাৰত হৰিদেৱ সংঘৰ এই অধিবেশন উপলক্ষে অঞ্চলটোত উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হয়। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ সত্ৰাধিকাৰ, ভকত-বৈষ্ণৱসকলে এই অনুষ্ঠানৰ আজি অন্তিম দিনা ধৰ্মীয় সাংস্কৃতি শোভাযাত্ৰা উলিওৱা হয়। অসমৰ ভিন্ন প্ৰান্তত মহাপুৰুষজনাই স্থাপন কৰা ৮৪খন সত্ৰৰ ভকত-বৈষ্ণৱসকলে অংশ লোৱা এই অনুষ্ঠানত কমেও ৩৫খন গাঁৱৰ ৰাইজে এই অনুষ্ঠানত সহযোগিতা আগবঢ়ায়। আজি অখণ্ড নাম-প্ৰসঙ্গৰ লগতে মুকলি সভাৰ আয়োজন কৰা হয়। মুকলি সভাত অধিবেশন উপলক্ষে প্ৰকাশ কৰি উলিওৱা হৰিদেৱ জ্যোতি শীৰ্ষক মুখপত্ৰ ভৱানীপুৰ সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰে উন্মোচন কৰে। এই কাৰ্যসূচীতে প্ৰয়াত ৰাধা বৰাক মৰণোত্তৰভাৱে হৰিদেৱ বঁটা প্ৰদান কৰা হয়।

ooooo

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ খাৰুৱাবান্ধাত নতুনকৈ নিৰ্মাণ কৰা এছ এম হাস্পতালত আজি বিনামূলীয়া চিকিৎসা শিবিৰৰ আয়োজন কৰা হয়। পুৱাৰে পৰা হাস্পতালখনত জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা বিশেষকৈ দৰিদ্ৰ ৰোগীসকলৰ স্বাস্থ্য পৰীক্ষাৰ বাবে হাস্পতালখনত ভিৰ পৰিলক্ষিত হয়। বিনামূলীয়া চিকিৎসা শিবিৰৰ জৰিয়তে ৰোগীসকলক স্বাস্থ্য পৰীক্ষা কৰাৰ উপৰি ৰোগীৰ বিভিন্ন পৰীক্ষাৰ ক্ষেত্ৰত ৰেহাই মূল্যত পৰীক্ষাৰ কৰাৰ ব্যৱস্থা কৰা হৈছে।

ooooo

হোজাইৰ ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ প্ৰাংগণত ২২ মাৰ্চৰ পৰা তিনিদিনীয়াকৈ হস্ততাঁত বস্ত্ৰশিল্প আৰু খাদ্য-সামগ্ৰীৰ প্ৰদৰ্শনী অনুষ্ঠিত হৈছে। অসম ৰাজ্যিক গ্ৰাম্য জীৱিকা অভিযানৰ সহযোগত অনুষ্ঠিত হোৱা প্ৰদৰ্শনী তথা বিক্ৰী কাৰ্যসূচীত ব্যৱস্থা কৰা ১৭ খন বিপণীত জিলাখনৰ আত্মসহায়ক গোটৰ সদস্যসকলে অংশগ্ৰহণ কৰে। গোটসমূহৰ সন্মিলিত প্ৰচেষ্টাত নিজে প্ৰস্তুত কৰা সামগ্ৰীসমূহ প্ৰদৰ্শন কৰা হৈছে। প্ৰদৰ্শনীৰ

প্ৰথম দিনৰে পৰা বিশ্ববিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী তথা স্থানীয় ৰাইজৰ পৰা ইতিবাচক সঁহাৰি লাভ কৰা বুলি বিক্ৰেতাসকলে জানিবলৈ দিছে।

০০০০০

ধেমাজিৰ নিলখ হাইস্কুল খেলপথাৰৰ বিশ্ববীৰ চিলাৰায় সমন্বয় ক্ষেত্ৰত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত সদৌ অসম কোচ সন্মিলনৰ ৩৬ সংখ্যক বাৰ্ষিক ৰাজ্যিক অধিবেশনৰ আজি সামৰণি পৰে। অন্তিম দিনাৰ কাৰ্যসূচীৰ অংশৰূপে উলিওৱা সাংস্কৃতিক শোভাযাত্ৰাত জনগোষ্ঠীটোৰ ঐতিহ্য আৰু পৰম্পৰাৰ প্ৰতিফলন ঘটোৱা হয়। ৰাজ্যৰ বিভিন্ন জিলাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা এই অধিবেশনত জনগোষ্ঠীটোৰ বিভিন্ন সমস্যা আৰু দাবী সম্পৰ্কে আলোচনা কৰা হয়।

০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ বিভিন্ন প্ৰান্তত আজি দিনৰ ভাগত হোৱা প্ৰচণ্ড শিল-বৰষুণৰ ফলত জিলাখনত বিস্তৰ ক্ষতি হয়। জিলাখনৰ চিংথং পৰিষদীয় সমষ্টিৰ লং এহ্ লুবৈত হোৱা এই শিল-বৰষুণৰ ফলত বিস্তীৰ্ণ অঞ্চলৰ কৃষি ভূমি নষ্ট হোৱাৰ লগতে কেইবাটাও বাসগৃহ ক্ষতি হয়। উল্লেখযোগ্য যে যোৱা ২৩ ফেব্ৰুৱাৰীত জিলাখনত শিল-বৰষুণৰ ফলত ক্ষতি হৈছিল।

০০০০০

ৰাজ্য চৰকাৰৰ শিক্ষা, ভৈয়াম, জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ধেমাজি সমষ্টিৰ বৰুৱা ব্লক চাৰিআলিৰ পৰা সুবাহী চাৰিআলি সংযোগী ৭৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এখন পকী দলঙৰ আজি আধাৰশিলা স্থাপন কৰে। বিশ্ববেংকৰ পুঁজিৰে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ অধীনত অনুমোদিত ৪ কোটি ৪৬ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলৈ লোৱা পকী দলংখনে যাতায়াতৰ ক্ষেত্ৰত অঞ্চলটোৰ লোকৰ দীৰ্ঘদিনীয়া সমস্যা দূৰ কৰিব বুলি আশা কৰা হৈছে।

০০০০০

হায়দৰাবাদত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন খেলত অসমৰ ক্ৰিকেটাৰ ৰিয়ান পৰাগৰ নেতৃত্বাধীন ৰাজস্থান ৰয়েলছ দলটো কঠিন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। ছানৰাইজাৰ্ছ হায়দৰাবাদে বান্ধি দিয়া ২৮৭ ৰানৰ লক্ষ্য অনুসৰণ কৰি ৰাজস্থান ৰয়েলছে বৰ্তমানলৈকে ১২ অভাৰত ৩টা উইকেট হেৰুৱাই ১২৫ ৰাণ সংগ্ৰহ কৰে।

৬ উইকেটৰ বিনিময়ত ২৮৬ ৰান সংগ্ৰহ কৰা ছানৰাইজাৰ্ছ হায়দৰাবাদৰ হৈ সৰ্বাধিক ঈশান কিষাণে অপৰাজিতভাৱে ১০৬ ৰান আৰু ট্ৰেভিছ হেডে ৬৭ ৰাণ সংগ্ৰহ কৰে। ৰাজস্থান ৰয়েলছৰ হৈ তুষাৰ দেশপাণ্ডেই ৩টা, মহেশ টিকছানাই ২টা উইকেট লাভ কৰে। খেলখনত টছত জয়লাভ কৰি ৰাজস্থান ৰয়েলছে ছানৰাইজাৰ্ছ হায়দৰাবাদক প্ৰথমে বেটিঙৰ বাবে আমন্ত্ৰণ জনাইছিল। উল্লেখযোগ্য যে সঞ্জু ছেমছনৰ আঘাতৰ বাবে ৰিয়ান পৰাগে ৰাজস্থান ৰয়েলছৰ প্ৰথম তিনিখন খেলত দলটোক নেতৃত্ব দিছে।

আই পি এলৰ আজিৰ দ্বিতীয়খন খেলত চেন্নাই ছুপাৰ কিংছ, মুম্বাই ইণ্ডিয়ানছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত